অধ্যায় ১৪ ঃ স্বাধীনতাৰ পৰৱৰ্তীকালৰ আধুনিক অসমীয়া সাহিত্য — ৬

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ স্বৰাজোত্তৰ কালৰ অন্যান্য সাহিত্য — (খ)
১৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.৫ অধিক জানিবলৈ
১৪.৬ অগ্রগতিৰ খতিয়ান
১৪.৭ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- স্বাধীনতাৰ পৰৱৰ্তীকালৰ অসমীয়া শিশু সাহিত্য, ভ্রমণ সাহিত্য আৰু অনুবাদ সাহিত্যৰ গতি-প্রকৃতি সম্পর্কে ধাৰণা লাভ কৰিব
- স্বাধীনতাৰ পৰৱৰ্তীকালত কোনে কোনে কি কি শিশু সাহিত্য আৰু ভ্রমণ সাহিত্য ৰচনা কৰিছিল সেই বিষয়ে জ্ঞাত হ'ব।
- আলোচ্য সময়ছোৱাৰ অনুবাদ সাহিত্যৰ বিষয়ে অৱগত হ'ব।

১৪.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি স্বৰাজোত্তৰ কালৰ অন্যান্য সাহিত্যৰ অর্ন্তভুক্ত প্রবন্ধ, সমালোচনা সাহিত্য, জীৱনী আৰু আত্মজীৱনী সম্পর্কে অধ্যয়ন কৰিলে। স্বৰাজোত্তৰ কালৰ অসমীয়া সাহিত্যৰ এই চাৰিটা সাহিত্য বিধাৰ বৈশিষ্ট্য আৰু কোনে কোনে কি কি ৰচনা কৰিছিল সেই বিষয়ে বিস্তৃতভাৱে অধ্যয়ন কৰিলে।

এই অধ্যায়টোত আমি স্বৰাজোত্তৰ কালৰ অন্যান্য সাহিত্যৰ অর্ন্তভুক্ত শিশু সাহিত্য, ভ্রমণ সাহিত্য আৰু অনুবাদ সাহিত্যৰ বিষয়ে অধ্যয়ন কৰিম। অধ্যায়টোত অধ্যয়নে আপোনাক অসমীয়া সাহিত্যৰ এই তিনিটা ধাৰা সম্পর্কে সম্যক ধাৰণা প্রদান কৰিব।

১৪.৩ স্বৰাজোত্তৰ কালৰ অন্যান্য সাহিত্য — (খ)

ইতিমধ্যে ইয়াৰ আগৰ অধ্যায়টোতে কৈ অহা হৈছে যে, উত্তৰ-স্বাধীনতা কালত অসমীয়া সাহিত্যৰ শ্রীবৃদ্ধি অতি দ্রুত গতিত সম্পন্ন হৈছিল। ভিন ভিন সাহিত্যিকে তেওঁলোকৰ মনৰ

দিগন্ত খুলি দি অসমীয়া সাহিত্যৰ প্ৰতিটো ধাৰাই সমৃদ্ধ কৰিছিল। তাৰে কেইটিমান ধাৰা পূৰ্বৱৰ্তী অধ্যায়টোত আলোচনা কৰি অহা হৈছে। এতিয়া আমি তলত অসমীয়া শিশু-সাহিত্য, ভ্ৰমণ সাহিত্য আৰু অনুবাদ সাহিত্য সম্পৰ্কে চমুকৈ আলোচনা কৰিম।

- **শিশু সাহিত্য ঃ** সাম্প্ৰতিক সময়ৰ বিশ্ব সাহিত্যত শিশু সাহিত্যৰ এক সন্মানীয় আৰু প্ৰভাৱশালী স্থান আছে। অসমীয়া সাহিত্যও ইয়াৰ উৰ্ধ্বত নহয়। প্ৰাক্-স্বাধীনতাকালীন শিশু সাহিত্য সম্পৰ্কে ইতিমধ্যে কিছু কথা অষ্টম অধ্যায়ত আলোচনা কৰি অহা হৈছে। স্বৰাজোত্তৰ কালত অসমীয়া শিশু কবিতাক সমৃদ্ধ কৰাৰ ক্ষেত্ৰত নৱকান্ত বৰুৱাৰ *ওমলা ঘৰৰ পুথি, আখৰৰ জখলা, কেৰেলুৱাৰ ৰেল;* নিৰ্মলপ্ৰভা বৰদলৈৰ *ওমলা গীত,* লীলা গগৈৰ *খৰাঁ শিয়ালৰ বিয়া* আৰু *জোনবাই এ তৰা এটি দিয়া*; গগণ চন্দ্ৰ অধিকাৰীৰ *টকাত একোটা হাতী, ৰ'দালি এ ৰ'দ একণ দে, কক্ কক্‌ৰে কক্ কে কে হুৱা;* এলি আহমেদৰ *দোকমোকালিৰ গীত,* ড° ৰাজেন্দ্ৰ কুমাৰ ভূঞাৰ *মনৰ লগৰী, মইনাৰ মৌ-মাত*; সুপ্ৰভা দেৱীৰ *বন্দিনী ৰাজকন্যা,* হীৰেন ভট্টাচাৰ্যৰ *ল'ৰা-ধেমালি,* বেণু মিশ্ৰ আৰু বীৰেন্দ্ৰনাথ দত্তৰ *অমাতৰ মাত,* বীৰেন্দ্ৰনাথ দত্তৰ *মোৰ স'তে গুৱাহাটী আৰু চিৰিয়াখানা ঘুৰি আহানা,* প্ৰীতিশী বৰকটকীৰ *অকণিৰ চিৰিয়াখানা,* ডিম্বেশ্বৰ চলিহাৰ *ফেঁচু ৰজা হ'ল,* ড° ভবেন্দ্ৰ নাথ শইকীয়াই সম্পাদনা কৰা অচিন মোমাইদেউৰ *তোমালোকলৈ,* ধীৰেন্দ্ৰনাথ বৰুৱাৰ *আখৰৰ ৰাখৰ,* অমূল্য হাজৰিকাৰ *মিকুৰ পুতলা,* জীৱকান্ত গগৈৰ *ল'ৰালিৰ কবিতা,* ফুলকুমাৰী কলিতাৰ *সখী ঐ সখী* আদি উল্লেখযোগ্য শিশু কবিতাৰ পুথিৰ নাম ল'ব পাৰি। ইয়াৰ বাহিৰেও আৰাধনা দত্ত, ভৱেন কুমাৰ, স্নিগ্ধা ৰাণী গগৈ, হেম বৰুৱা, মঞ্জু বৰকটকী, বিজয়া ডেকা আদিয়ে ভালেমান শিশু কবিতাৰ পুথি ৰচনা কৰিছে।

  অসমীয়া শিশু সাহিত্যলৈ স্বৰাজোত্তৰ কালছোৱাত দেশ-বিদেশৰ নানান সাধুৰ প্ৰৱেশ ঘটিছিল। নিশি বৰকটকীৰ *শ্বিচকিন, মই আৰু বহুতো,* প্ৰফুল্ল বৰুৱাৰ *গ্ৰীচ দেশৰ সাধু,* যতীন্দ্ৰনাথ গোস্বামীৰ *মৌচাক,* আজলিতৰা নেওগৰ *আলিবাবা আৰু দুকুৰি ডকাইত,* যজ্ঞেশ্বৰ শৰ্মাৰ *গুলেস্তাৰ সাধু,* ৰঞ্জিতা বৰুৱাৰ *চীন দেশৰ সাধু,* প্ৰমোদ কাকতীৰ *জাপানী সাধু,* নিৰুপমা ফুকনৰ *কাশ্মীৰ দেশৰ সাধু, নেপালৰ সাধু;* তোষপ্ৰভা কলিতাৰ *কিমান যে সাধু,* বুধীন্দ্ৰনাথ বৰঠাকুৰৰ *মৌ কথা আৰু কথা সঁফুৰা,* চন্দ্ৰ কটকীৰ *অনেক দেশৰ সাধু,* বিজয় কুমাৰ দত্তৰ *তৰামাইৰ সাধু* আদিকে কৰি বিভিন্নজন শিশু সাহিত্যিকে দেশী-বিদেশী সাহিত্যক ভেঁটি কৰি শিশু সাহিত্য ৰচনা কৰিছে।

  শিশুৰ মনস্তত্ত্বৰ ওপৰত বিশেষ গুৰুত্ব দি অসমীয়া সাহিত্যৰ বহুকেইগৰাকী লেখক-লেখিকাই কেইবাখনো সাধু পুথি ৰচনা কৰিছে। সেইসকলৰ ভিতৰত দেৱলা হাজৰিকাৰ *ভগা ডেউকা,* চন্দ্ৰকান্ত বৰাৰ *মৌ বৰষা সাধু,* কাশীনাথ বৰ্মনৰ *দেশ-বিদেশৰ সাধু,* চৈয়দ আব্দুল মালিকৰ *মুকলি মনৰ সাধু, অনুপম কোঁৱৰৰ সাধু;* লীলা গগৈৰ *পোনাকনৰ সপোন, ৰংমনৰ কথা, সোনতৰা;* নৱকান্ত বৰুৱাৰ *মাখনৰ কুকুৰা পোৱালী,* প্ৰণীতা দেৱীৰ *পৰীৰ দেশৰ সাধু,* ড° কেশৱানন্দ দেৱগোস্বামীৰ *ক'ৰ জানিলে কথা,* এলি আহমেদৰ *তৰাফুল,*

ড° নবীন চন্দ্র শর্মাৰ *আইৰ মুখৰ সাধু*, শৰৎ চন্দ্র দত্তৰ *আদাক দেখি উঠিল গা*, কৈলাশ শর্মাৰ *পূর্বাঞ্চলৰ সাধু, সাতভনীৰ সাধু*, ড° সর্বেশ্বৰ ৰাজগুৰুৰ *বুৰঞ্জীৰ কাহিনী*, ৰমেশ চন্দ্র কলিতাৰ *বুৰঞ্জীৰ বিচিত্র কাহিনী*, ড° কৰবী ডেকা হাজৰিকাৰ *সেউজী মনৰ কাহিনী*, বিজয় কুমাৰ দত্তৰ *চৰাইৰ ৰজা হোৱা কথা* আদি উল্লেখযোগ্য। প্রসংগক্রমে উল্লেখযোগ্য যে সাম্প্রতিক সময়ত কৰবী ডেকা হাজৰিকাই বেজবৰুৱাৰ *বুঢ়ী আইৰ সাধু, ককাদেউতা আৰু নাতি ল'ৰাৰ* সাধুবোৰ একেলগ কৰি *বেজবৰুৱাৰ সাধু* নাম দি প্রকাশ কৰিছে।

অসমীয়া শিশু সাহিত্যত শিশু উপযোগী বিজ্ঞানৰ পুথিও কিছুসংখ্যক ৰচিত হৈছে। সেইসমূহৰ ভিতৰত হৰিপ্রসন্ন দাসৰ *আৰিষ্কাৰৰ কাহিনী*, ডঃ প্রসন্ন কুমাৰ গোস্বামীৰ *ফুলৰ সাধু, জন্তুৰ সাধু*, ডঃ কালীনাথ শর্মাৰ *প্রকৃতিৰ পুতলা খেলা*, হৰেন্দ্রনাথ কলিতাৰ *আকাশৰ কথা, পৃথিৱীৰ কথা*, যোগেন্দ্রনাথ শইকীয়াৰ *পতংগৰ কথা*, কনকচন্দ্র মহন্তৰ *চকুৰ আঁৰৰ নেদেখা কাহিনী*, বিনয় তামুলীৰ *মহাকাশ অভিযান*, ডঃ ভুবন মোহন দাসৰ *আদিম যুগৰ আদিম কথা*, যজ্ঞেশ্বৰ হাতীবৰুৱাৰ *শক্তি, শক্তি সংকট আৰু সৌৰশক্তি*, ডঃ দীনেশ চন্দ্র গোস্বামীৰ *ট্রাইটনৰ অভিযান, টেলিগ্রাফ, টেলিফোন, টেপৰেকর্ডাৰ* আদি, অনিল চন্দ্র ভট্টাচার্যৰ *বিচিত্র পৃথিৱীখন*, জীৱন দাসৰ *অকণিৰ অসমৰ চৰাই*, দীনেশ বৈশ্যৰ *বায়ু আৰু পানী*, ক্ষীৰধৰ বৰুৱাৰ *আকাশীযানৰ কথা*, শান্তনু তামুলীৰ *হে চন্দ্র বিদায়, মহাকাশৰ তাৰকা, ইলেক্ট্রনিক নামৰ ল'ৰাটো, মায়ামৃগ*; বন্দিতা ফুকনৰ *মটৰ গাড়ী কেনেকৈ চলে? পৰীক্ষা কৰো আহা, কোনে কেনেকৈ কাম কৰে?*; ডঃ বিজয় কৃষ্ণ দেৱশর্মাৰ *তুলসীৰ তলে মৃগ পহু চৰে*, শিৱনাথ বর্মনৰ *টংক মামাৰ অংকৰ সাধু*, ৰথীন্দ্রনাথ গোস্বামীৰ *হৰি; অংক, জংক পংক* আৰু জুল ভার্ণৰ *ফাইভ উইকছ্ ইন এ বেলুনৰ* অনুবাদ *বেলুনত পাঁচ সপ্তাহ*, হোমেন বৰগোহাঞিৰ *বেঞ্জামিন ফ্রেংকলিন, প্রতিভাৰ নতুন সংজ্ঞা দিয়া মানুহজন*, ড° দীনেশ চন্দ্র গোস্বামীৰ *শতাধিক মহান বিজ্ঞানী* আদি শিশুৰ বাবে লিখা এক শ্রেণীৰ পুথি। অসমীয়া ভাষাত শিশুৰ বাবে *বিজ্ঞান বিশ্বকোষ* অসম বিজ্ঞান সমিতিয়ে পাঁচটা খণ্ডত প্রকাশ কৰি উলিয়াইছে। ইয়াৰ উপৰি অসম সাহিত্য সভাইও *শিশু জ্ঞানকোষৰ* তিনিটা খণ্ড প্রকাশ কৰিছে।

বিজ্ঞানৰ সূক্ষ্ম কথাবোৰ জানিবৰ বাবে শিশুৰ যেনেকৈ কৌতূহল হয় তেনেকৈয়ে ৰোমাঞ্চকৰ আৰু বীৰত্বপূর্ণ কাহিনীৰ প্রতি শিশুৰ স্বাভাৱিকতে আকর্ষণ হয়। শিশুৰ মনক খোৰাক দিব পৰা এনে ৰোমাঞ্চকৰ আৰু বীৰত্বপূর্ণ কাহিনী লৈ শিশু পুথি ৰচনা কৰা সাম্প্রতিক যুগৰ কেইজনমান শিশু সাহিত্যিক হ'ল — যোগেশ দাসৰ *আকৌ বনে বনে, ৰবিনহুড*, খগেন্দ্রনাথ বৰাৰ *আমি পাহাৰ বগাবলৈ যাওঁ*, বিৰাজ চৌধুৰীৰ *কুমায়ুনৰ মানুহ খোৱা বাঘ*, ডঃ হীৰালাল দুৱৰাৰ *মহাকাশ অভিযান*, ইন্দ্রকান্ত কাৰ্কীৰ *বগা ভালুক* আৰু *চৰাইজন অতিথি*, মানৱেন্দ্র কুমাৰ বৰুৱাৰ *সোপাধৰা*, ডঃ দীনেশ চন্দ্র গোস্বামীৰ *কালজয়ী সাহিত্য*, সমীক ভৰদ্বাজৰ *এমিল আৰু চোৰাংচোৰাৰ দল* আদি উল্লেখযোগ্য। অৱশ্যে ৰথীন্দ্রনাথ গোস্বামী, বন্দিতা ফুকন, ৰঞ্জু হাজৰিকা, বিপুল কুমাৰ বৰুৱা আদিয়েও এনে

ৰোমাঞ্চকৰ শিশু পুথি ৰচনা কৰিছে।

সাম্প্রতিক সময়ত খেলা-ধূলাৰ বিষয়বস্তু হিচাপে লৈ শিশু সাহিত্য ৰচনা কৰা সাহিত্যিকসকলৰ ভিতৰত বন্দিতা ফুকনৰ *সিহঁতে খেলিছিল, সোণটিৰ দিনবোৰ,* ডঃ ৰাজেন্দ্র কুমাৰ ভূঞাৰ *শিয়ালৰ বিয়াৰ গীত,* পুণ্য দেৱীৰ *অৰণ্যৰ সন্ধি প্রস্তাৱ,* উৎপল ভূঞাৰ *আমি খেলা খেলাৰ নিয়ম, কৌশল প্রণালী,* পুলক লাহিড়ীৰ *ক্রিকেটৰ সাঁথৰ* উল্লেখযোগ্য। ইয়াৰ উপৰি ড° নির্মলপ্রভা বৰদলৈ, সুবোধমল্ল বৰুৱা, ৰবীন মজুমদাৰ আদি সাহিত্যিক সকলেও একে বিষয়বস্তুক লৈ বিভিন্ন শিশু সাহিত্য ৰচনা কৰিছে। ঠিক সেইদৰে কুতুবুদ্দিন আহমেদৰ *ইংৰাজীত কথা পাতো আঁহা,* অৰুণ দত্তৰ *কল্পতৰু,* শান্তনু তামুলী আৰু জগত ৰৱা সম্পাদিত *মজাৰ সাঁথৰ,* শান্তনু কৌশিক বৰুৱাৰ সংকলিত *নতুন জানানে?* আদি বিভিন্ন বিষয়ত প্রকাশিত শিশুৰ বাবে ৰচিত গ্রন্থৰাজি। অসমীয়া সাহিত্যৰ ক্রমবিকাশত শিশু সাহিত্যৰ এনে পয়োভৰ যথার্থভাৱে সমাদৃত।

অসমীয়া শিশু উপন্যাসৰ জগতখনক সমৃদ্ধ কৰাৰ ক্ষেত্রতো ভালে কেইগৰাকী সাহিত্যিকৰ অৱদান আছে। সেই সকলৰ ভিতৰত —নৱকান্ত বৰুৱাৰ *শিয়ালী পালেগৈ ৰতনপুৰ,* ভ-ত উকাৰে ভূ, *আখৰৰ জখলা;* চৈয়দ আব্দুল মালিকৰ *এখন সোণালী দুৱাৰ,* শশী শর্ম্মাৰ *মোৰ দেশ মানুহৰ দেশ,* লক্ষ্মীনাথ *ফুকনৰ বাপুকন,* হোমেন ৰৱগোহাঞিৰ *সাউদৰ পুতেকে নাও মেলি যায়,* শান্তনু তামুলীৰ *মানী, বানী আৰু এখন ফুলনি,* ভবেন্দ্র নাথ শইকীয়াৰ *মৰমৰ দেউতা,* যতীন্দ্র কুমাৰ ৰৱগোহাঞিৰ *পৃথিৰীৰ মৰম,* অৰূপা পটঙ্গীয়া কলিতাৰ *কাঁইটত কেতেকী,* অচিন মোমাইদেউৰ *ডেমপেহাৰ দূৰবীণ,* বন্দিতা ফুকনৰ *সোণটিহঁতৰ পিকনিক,* সন্তোষ কুমাৰ কর্মকাৰৰ *অর্কৰ আৰাধনা, সোণটিৰ পৃথিৰী;* বিকাশ শর্মাৰ *নামৰৰত ৰাজু নিতু আৰু চন্দ্র* আদি উল্লেখযোগ্য। সাম্প্রতিক সময়ত অসমীয়া ভাষাত বন্দিতা ফুকনে সর্বাধিক শিশু উপন্যাস লিখিছে, তাৰে ভিতৰত— *সোণটিৰ দিনবোৰ, বন্ধৰ দিনত অকণিহঁত, বান আহিছিল, সুন্দৰপুৰত সোণটি, এখন চার্কাছ আহিছিল, সোণটিৰ লগৰীয়া, সোণটিৰ পিকনিক, সোণটিৰ খেতি, গৰম বন্ধত সোণটি, ককাৰ জিমি* আদি উল্লেখযোগ্য। ফুকনৰ দৰে আন কেইগৰাকীমান সাহিত্যিকেও শিশুক লৈ উপন্যাস ৰচনা কৰিছে। সেইসকলৰ ভিতৰত — ভাৰতী বৰুৱাৰ *যৌবনত মিকুল, সোণতকৈও দামী;* ড° বন্দিতা গোস্বামী শইকীয়াৰ *কেতেকী আৰু ময়ূৰ পংখী, মনে মনে এদিন, বাবনৰ বাজি;* চৈয়দ আব্দুল মালিকৰ *এখন সোণালী দুৱাৰ,* শশী শর্মাৰ *মোৰ দেশ মানুহৰ দেশ, আমাৰ পৃথিৰী,* নীলিমা দত্তৰ *মই আৰু আমি,* ৰাধিকামোহন ভাগৱতীৰ *ফেঁহুজালি,* শুচিব্রতা ৰায়চৌধুৰীৰ *সুন্দৰৰ দেশ,* অৰুন্ধতী দত্তৰ *সপোনৰ বাগিছাত কুঁহি;* উজ্জ্বল শইকীয়াৰ *চোৰাংচোৰা,* লক্ষ্মীনাথ ফুকনৰ *বাপুকণ* আদি উল্লেখযোগ্য।

অসমীয়া শিশু নাটকৰ জগতখনক সমৃদ্ধ কৰাৰ ক্ষেত্রতো বহুকেইগৰাকী সাহিত্যিকৰ অৱদান আছে। নৱকান্ত বৰুৱাৰ *কেৰেলুৱা এণ্ড কোম্পানী,* নির্মলপ্রভা বৰদলৈৰ *ৰজা আৰু বন্ধু;* উমাকান্ত শর্ম্মাৰ *শিশুৰ অভিনয়,* তফজ্জুল আলিৰ *অঘৰী ককাইদেউৰ গীত,* সত্যপ্রসাদ বৰুৱাৰ *ফুলকলি, সিংহগড়, অংগীকাৰ,* অৰুণ শর্মাৰ *পোহৰ,* ভবেন্দ্রনাথ শইকীয়াৰ

শান্ত-শিষ্ট, হৃষ্ট-পুষ্ট মহাদুষ্ট; আনন্দিৰাম দাসৰ *শৰৎ যেতিয়া আহে,* ফণী তালুকদাৰৰ *সখী পাতো আহা,* যোগেন চেতিয়াৰ *ভাকুটকুট,* মহেন্দ্র বৰুৱাৰ *টোপনি নহা ৰজা,* হৰেন্দ্র নাথ বৰঠাকুৰৰ *ৰজাৰ দেউল,* অনিল শইকীয়াৰ *ফুলে ফুলে ৰূপে-গুণে,* ডঃ অৰূপ বৰঠাকুৰৰ *শিয়ালী পালেগৈ ৰতনপুৰ* আদি সাহিত্যিকৰ শিশু নাটক উল্লেখযোগ্য।

অসমীয়া ভাষাত শিশু উপযোগী জীৱনী ভালেসংখ্যক প্রকাশ পাইছে। এনেধৰণৰ উল্লেখযোগ্য জীৱনী কেইখনমান হ'ল — দীনেশ চন্দ্র গোস্বামীৰ *শতাধিক মহান বিজ্ঞানী,* অদিতি বেজবৰুৱা আৰু কল্পনা দুৱৰাৰ *অনৱগুণ্ঠিতা,* সুৰেন্দ্র কুমাৰ দাসৰ *অসমৰ চাৰিজনা মহাপুৰুষ,* আব্দুল মজিদ খানৰ *আমাৰ ৰূপকোঁৱৰ জ্যোতিপ্রসাদ,* লীলা গগৈৰ *জয়মতী, মূলা গাভৰু;* হোমেন বৰগোহাঞিৰ *অন্তহীন প্রেৰণাৰ উৎস লুই পেষ্টিঅ'ৰ,* হিতেশ ডেকাৰ *জীৱনৰ ৰসাল কথাবোৰ,* হৰেন্দ্রনাথ শর্মাৰ *সময় বালিৰ খোজবোৰ,* ড° লীলা গগৈৰ *ল'ৰাৰ লাচিত,* নন্দ তালুকদাৰৰ *চিৰ চেনেহী মোৰ ভাষা জননী,* ডঃ প্রফুল্ল কটকীৰ *বিজ্ঞান ব্রতী,* তিলক চন্দ্র মজুমদাৰৰ *আমি উভতি চাওঁ,* ডঃ যোগেন্দ্র নাৰায়ণ ভূঞাৰ *কিশোৰৰ শংকৰদেৱ,* শশী শর্মাৰ *আমাৰ জ্যোতিপ্রসাদ,* কৈলাশ শর্মাৰ *লাল বাহাদুৰ শাস্ত্রী,* বসন্ত কুমাৰ শর্মাৰ *বুকাৰ ৱাশ্চিংটন,* প্রসেনজিৎ কুমাৰ গোস্বামীৰ *ল'ৰাৰ মিত্রদেৱ,* হেম বৰুৱাৰ *মহাবীৰ কর্ণ,* মিনতি হাজৰিকাৰ *মহৎ লোকৰ ল'ৰালি কাল,* ফনীন্দ্র নাথ গায়নৰ *আলোক পথৰ অজেয় যাত্রী,* হৃষীকেশ গোস্বামীৰ *আমাৰ দেশৰ মহান নেতা,* ভবানী প্রসাদ অধিকাৰীৰ *সূর্যকুমাৰ ভূঞা,* সমীন কলিতাৰ *ৰৱেণ্য সাহিত্যিক,* ড° মৃদুস্মিতা ফুকনৰ *সময় বালিৰ সোণোৱালী খোজ,* বন্দিতা গোস্বামী শর্মাৰ *অসম গৌৰৱ, অকণিৰ লক্ষ্মীনাথ;* ডিম্বেশ্বৰ চেতিয়াৰ *অকণিৰ সতী জয়মতী,* ক্ষীৰদা কাকতিৰ *মহৎ লোকৰ জীৱনী,* অৰুন্ধতী দত্তৰ *বুৰঞ্জীৰ পাতৰ স্মৰণীয় ৰমণী,* প্রাণজিৎ বৰাৰ *বিখ্যাত লোকৰ অখ্যাত কাহিনী* আদি লেখত ল'ৰলগীয়া শিশু উপযোগী জীৱনী পুথি।

উপৰোক্ত শিশু সাহিত্যিকৰ শিশু সাহিত্য ৰচনাৰাজিৰ উপৰি সাম্প্রতিক সময়ত দেশ-বিদেশৰ প্রখ্যাত সাহিত্যিকসকলৰ বহুকেইখন প্রখ্যাত শিশু গ্রন্থ অসমীয়ালৈ অনুবাদ হৈছে। সেইসমূহৰ ভিতৰত — থানেশ্বৰ হাজৰিকাৰ *দীন-দুখী,* ডঃ মহেন্দ্র বৰাৰ *গালিভাৰৰ ভ্রমণ, নীল সাগৰৰ সাধু;* বিমল নাথৰ *ডেভিদ কপাৰফিল্ড,* নিৰুপমা বৰগোহাঞিৰ *অকণমানি কোঁৱৰ,* জয়ন্ত মাধৱ বৰাৰ *ৰত্নদ্বীপ,* আজিজুল হুছেইনৰ *মহাজাগতিক যুদ্ধ,* নৱকান্ত শইকীয়াৰ *মা, বুঢ়া আৰু সাগৰ;* ৰঞ্জু হাজৰিকাৰ *বিশ্বৰ শ্রেষ্ঠ শিশু সাহিত্য* উল্লেখযোগ্য। শিশু সাহিত্যৰ সার্থক অনুবাদক হিচাপে হাৰুণাৰ ৰছিদ, ৰোহিনীকান্ত বৰুৱা, বসন্ত কুমাৰ বৰুৱা, আবুল লেইচ, এম আব্দুল মজিদ প্রমুখ্যে এই কেইগৰাকী সাহিত্যিকৰ অৱদানো উল্লেখযোগ্য।

সাম্প্রতিক সময়ত শিশু উপযোগী গীত-মাতৰ পুথি, ভ্রমণ কাহিনী আৰু ভিন্ন স্বাদৰ আন ভালেসংখ্যক ৰচনাও অসমীয়া ভাষাত হৈছে। এনে পর্য্যায়ৰ কেইখনমান গীতৰ পুথি হ'ল — ডঃ ভূপেন হাজৰিকাৰ *ভূপেন মামাৰ গীতে-মাতে অ-আ, ক-খ,* নগেন বৰাৰ *মিছা কথাৰ ঠেং চুটি,* কনকলতা দাসৰ *গীতে-মাতে শিকো আহা* অন্যতম। সাম্প্রতিক

সময়ৰ ভ্ৰমণ কাহিনীৰ ভিতৰত প্ৰফুল্লদত্ত গোস্বামীৰ *মোৰ ৰাছিয়া ভ্ৰমণ*, লক্ষেশ্বৰ হাজৰিকাৰ *বিলাতী নাতি আৰু দেশী ককা*, ডাঃ তুলতুল বৰাৰ *হিউৱেন চাঙৰ দেশত*, কেশৰ মহন্তৰ *হিউৱেন চাঙৰ ভাৰত যাত্ৰা*, ৰথীন্দ্ৰ নাথ গোস্বামীৰ *বিদেশী বন্ধুৰ দেশত*, নিৰোদ কুমাৰ গোস্বামীৰ *ৰমণীয় প্ৰান্তৰ*, শান্তনু তামুলীৰ *টকিঅ'ত তেৰদিন* উল্লেখযোগ্য।

শিশু উপযোগী ভিন্ন স্বাদৰ ভালেসংখ্যক পুথিৰ ছবিৰে শিশুক শিক্ষা দিয়াৰ পুথিও সাম্প্ৰতিক সময়ত প্ৰকাশ পাইছে। এই পুথিসমূহৰ ভিতৰত মৃগেন কুমাৰ দত্তৰ *ছবি আঁকাৰ সহজ উপায়*, শান্তনু তামুলীৰ *ছবিত বুটী আইৰ সাধু*, জ্ঞানজ্যোতি বৰাৰ *আজৰি পৰৰ চখ*, অৰুণাভৰ *হাঁহো আহা* উল্লেখযোগ্য।

শিশুৰ বুদ্ধি-বৃত্তিৰ বিকাশত অৰিহণা যোগাব পৰাকৈ বৰ্তমান সময়ত ভিন্ন স্বাদৰ বহুকেইখন শিশু উপযোগী গ্ৰন্থ ৰচিত হৈছে। মাণিক দাসৰ *কথা পাতোঁ আহাঁ*, মিত্ৰা ফুকনৰ *সাহসী মামনী*, ফুল বৰাৰ *বতৰৰ ফল বতৰতে খাবা*, ৰাধিকা মোহন ভাগৱতীৰ *আমাৰ বাতৰি কাকতৰ কাহিনী*, কীৰ্ত্তিনাথ হাজৰিকাৰ *কিতাপৰ বিচিত্ৰ পৃথিৱীখনৰ কথা*, নিৰ্মলপ্ৰভা বৰদলৈৰ *আমাৰ লাগতিয়াল গছ-গছনি* উল্লেখযোগ্য।

অসমীয়া শিশু সাহিত্যক সমৃদ্ধ কৰাত আলোচনী আৰু বিশেষকৈ বাতৰি কাকতৰ উল্লেখনীয় অৱদান আছে। ১৯৪০ চনৰ পিছত পৰেশ চন্দ্ৰ বৰুৱাৰ *কিশোৰ*, সূর্য কুমাৰ ভূঞাৰ *মইনা*, প্ৰীতি বৰুৱাৰ *আকাশ*, বদন বৰুৱাৰ *ৰুণজুন*, মৃণাল কটকীৰ *পখিলা*, ৰঞ্জু হাজৰিকাৰ *কণ কণ*, নগেন বৰাৰ *আমাৰ সাৰথি*, পূৰ্ণিমা কোঁৱৰৰ *ৰ'দালি*, শৰৎ ৰাজখোৱাৰ *মৌ*, শান্তনু কৌশিক বৰুৱাৰ *ঐকতান* নামৰ শিশু আলোচনী কেইখনে শিশু সাহিত্যৰ বিকাশত উল্লেখযোগ্য বৰঙণি আগবঢ়াইছে। অৱশ্যে স্বৰাজোত্তৰ কালত অসমীয়া শিশু আলোচনীৰ ভিতৰত শ্ৰেষ্ঠত্বৰ দাবী কৰিব পৰা দুখন শিশু আলোচনী হ'ল ডঃ ভবেন্দ্ৰ নাথ শইকীয়া সম্পাদিত *সঁফুৰা* আৰু আনখন শান্তনু তামুলী সম্পাদিত *মৌচাক*।

ইয়াত উল্লেখ কৰাখিনিৰ উপৰি শিশু উপযোগী বিভিন্ন পুথি-আলোচনী আদি সাম্প্ৰতিক কালত অসমীয়া ভাষাত প্ৰকাশ হৈছে আৰু হৈয়েই থাকিব। ইয়াত সামগ্ৰিকভাৱেহে উল্লেখ কৰা হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ গগণ চন্দ্ৰ অধিকাৰীয়ে লিখা শিশু উপযোগী কবিতা পুথি কেইখনৰ নাম লিখক।

.....

প্ৰশ্ন নং ২ ঃ সাম্প্ৰতিক সময়ত প্ৰকাশ পোৱা শিশু উপযোগী ভিন্ন স্বাদৰ ছবিৰে শিশুক শিক্ষা দিয়াৰ পুথি কেইখনমানৰ নাম লিখক।

.....

- **ভ্রমণ সাহিত্য ঃ** স্বাধীনতাৰ পৰৱর্তী কালছোৱাত অসমীয়া ভ্রমণ সাহিত্য বিশেষ চহকী হৈ উঠে। এই কালছোৱাত অসমৰ জীৱনধাৰালৈ পৰিৱর্তন আহিল। দেশ-দেশান্তৰত ভ্রমণ কৰা সহজ আৰু সুবিধা হোৱাত ৰাজনৈতিক, সাংস্কৃতিক, শৈক্ষিক আৰু বাণিজ্যিক উদ্দেশ্য আগত ৰাখি বহুতো মানুহে বিদেশ ভ্রমণ কৰাৰ সুবিধা লাভ কৰিলে। ফলস্বৰূপে অসমীয়া ভাষাত ভ্রমণ বৃত্তান্ত ক্রমাগতভাৱে বৃদ্ধি পালে। স্বাধীনতাৰ পৰৱর্তী কালৰ অসমীয়া ভ্রমণ কাহিনীসমূহক দুটা ভাগত ভাগ কৰিব পাৰি — ক) ভাৰত ভ্রমণ সম্পৰ্কীয় খ) বিদেশ ভ্রমণ সম্পৰ্কীয়।

তাৰে ভিতৰত বিৰিঞ্চি কুমাৰ বৰুৱাৰ *চুইজাৰলেণ্ড ভ্রমণ* (1948) ইয়াৰে বাটকটীয়া বুলি মহেশ্বৰ নেওগে মত পোষণ কৰিছে। আমাৰ আলোচ্য কালছোৱাত ৰচিত ভাৰত ভ্রমণ সম্পৰ্কীয় ভ্রমণ সাহিত্যকেইখন হ'ল — সুব্রতা বৰুৱাৰ *হিমতীর্থ বদ্রীনাথ* (1962), দেৱেশ্বৰ গোস্বামীৰ *ভ্রমণ পথত* (1968), শ্রীনাথ দেৱগোস্বামীৰ *ভাৰত তীর্থ কাহিনী* (1971), হেমলতা দত্তৰ *অলকানন্দাৰ পৰা সাগৰ তীৰলৈ* (1978), লাৱণ্য দেৱীৰ *ভাৰত তীর্থৰ বাটে বাটে* (1980), নিৰুপমা কটকীৰ *দেৱভূমি বদ্রীনাথৰ পৰা দেৱী কন্যাকুমাৰী*, সৰোজবালা দত্তৰ *শান্তিৰ সন্ধান*, হৰিনাৰায়ণ দত্তবৰুৱাৰ *ভাৰত ভ্রমণ*, ধর্ম দত্ত শর্মাৰ *দক্ষিণাৱতী*, মুস্তাফিজুৰ ৰহমানৰ *তুষাৰ মৰুৰ প্রান্তত*, হেমন্ত কুমাৰ শর্মাৰ *কাবেৰীৰ পাৰে পাৰে*, আটাওৰ ৰহমানৰ *ভাৰত ভ্রমিলো*, খগেন্দ্র নাথ দাসৰ *ভাৰত দর্শন*, ৰমা বৰঠাকুৰৰ *ভাৰত দর্শন*, ৰোহিনী কুমাৰ কাকতিৰ *হিম কন্যা*, দেৱেন্দ্রনাথ বৰাৰ *ৰাজতৰঙ্গিনী কাশ্মীৰ*, *দেৱভূমি ভাৰত* আদি। অনু বৰুৱাৰ *দিল্লীৰ ডুখৰীয়া ছবিত* দিল্লীৰ বৈচিত্র্যময় জীৱনৰ ছবি অংকিত হৈছে।

দিপীকা ভট্টাচার্য্যৰ কেইবাখনো ভ্রমণ বৃত্তান্ত প্রকাশ হৈছে। সেইবোৰ হ'ল *গিৰিতীর্থ কেদাৰবদ্রী*, *কুম্ভমেলাৰ মধুৰ স্মৃতিত*, *ত্রিকূটেশ্বৰী বৈষ্ণু দেৱী*, *স্মৃতিৰ পাপৰি মেলি*, *মন্দিৰ নগৰী ভুৱনেশ্বৰ*, *মোহময় কুমায়ূনৰ প্রান্তৰে প্রান্তৰে*, *অপৰূপা কিন্নৰ* আদি। উত্তৰাখণ্ডৰ হিমালয় ভ্রমণ সম্পৰ্কীয় গ্রন্থ অনিল কুমাৰ ভূঞাৰ *ৰূপতীর্থ কুমায়ুন হিমালয়* আৰু *হিমালয়ৰ প্রান্তে প্রান্তে*। ভাৰতবর্ষৰ প্রতিবেশী নেপাল ভ্রমণ সম্পৰ্কীয় মনোৰম ভ্রমণ কাহিনী হৈছে দিপীকা ভট্টাচার্য্যৰ *মোহময় নেপাল*, যতীন গোস্বামীৰ *বাগ্মতী দেখিছোঁ*, শিৱানন্দ শর্মাৰ *ৰূপহী নেপাল* আৰু *মুক্তি ক্ষেত্র* ইত্যাদি। হিমালয়ৰ দুর্গম অঞ্চল ভ্রমণ কৰি গোটোৱা অভিজ্ঞতাৰে ৰচনা কৰা কুসুম উজীৰৰ *দুর্গম গিৰিতীর্থ মুক্তিনাথ* গ্রন্থখনো উল্লেখযোগ্য।

অন্তর্দেশীয় ভ্রমণ কাহিনীৰ ভিতৰত অসমীয়া ভাষাত উত্তৰ পূর্বাঞ্চল ভ্রমণ সম্পৰ্কীয় গ্রন্থৰ ভিতৰত লক্ষ্মেশ্বৰ শর্মাৰ *মিচিমি পাহাৰৰ ৰণশিঙা*, লীলা গগৈৰ *সীমান্তৰ মাটি* আৰু *মানুহ*, হেমলতা বৰাৰ *সেউজীয়া পাহাৰৰ মাজে মাজে*, চন্দ্র বৰদলৈৰ *লিমেকিঙৰ পৰা ইটানগৰলৈ* আদি ঘাইকৈ অৰুণাচল প্রদেশৰ জনজীৱন, শৈক্ষিক আৰু সাংস্কৃতিক দিশৰ আভাস থকা ভ্রমণ কাহিনী।

স্বাধীনতাৰ পৰৱর্তী কালছোৱাত পর্যটন উদ্যোগৰ প্রচাৰ আৰু প্রসাৰে বিদেশ ভ্রমণ

অধিক সুচল কৰি তুলিলে। হেম বৰুৱাৰ *সাগৰ দেখিছা* (1954) আমেৰিকা ভ্ৰমণ বিষয়ক প্ৰথম অসমীয়া গ্ৰন্থ। পৰৱর্তী সময়ত হেম বৰুৱাই *ৰঙা কৰবীৰ ফুল* (1959), *ইজৰাইল* (1965) আৰু *মেকং নৈ দেখিলো* (1967); অমলেন্দু গুহই *চোভিয়েট দেশত এভূমুকি* (1958), প্ৰফুল্ল দত্ত গোস্বামীয়ে *বিলাতত সাতমাহ* (1958), আব্দুছ ছাত্তাৰে *বিদেশত দুদিনমান* (1958) ৰচনা কৰি অসমীয়া সাহিত্যৰ এই ঠালটো সমৃদ্ধ কৰিছে। বিৰিঞ্চি কুমাৰ বৰুৱাৰ *প্ৰফেচাৰ বৰুৱাৰ চিঠি* (1968) আৰু *পৃথিৱীৰ চৌপাশে এপাক* (1968) দুখন উল্লেখযোগ্য ভ্ৰমণ সাহিত্য।

চন্দ্ৰপ্ৰসাদ শইকীয়াৰ *আমেৰিকাৰ চিঠি* (1974), নগেন শইকীয়াৰ *আমেৰিকাত দহ দিন* (1993), ৰথীন্দ্ৰনাথ গোস্বামীৰ *মহাসমুদ্ৰৰ সিপাৰে* (1997), কৰৱী ডেকা হাজৰিকাৰ *নীলা সাগৰ আৰু সোণালী দেশ* (2000), উমা বৰুৱাৰ *ইউৰোপৰ বাটত*, অনু বৰুৱাৰ *সাগৰ দেখিলো*, ক্ষীৰদা কুমাৰী বৰুৱাৰ *স্মৃতিমুখৰ ইউৰোপ*, বাসন্তী গোস্বামীৰ *অন্য এক দিগন্ত*, চৈয়দ আব্দুল মালিকৰ *চিনাকি দ্বীপৰ তটৰেখা*, লক্ষ্মীনন্দন বৰাৰ *পশ্চিমৰ পম খেদি* আৰু *জোৰা লগা জাৰ্মেনী*, গৌতম প্ৰসাদ বৰুৱাৰ *দেশে দেশে নানা ৰং : শিল্পীৰ দেশত*, *সাত সাগৰৰ সংগম*, *নতুন বিশ্বৰ ঘটনা*, দিলীপ শৰ্মাৰ *চীন ভ্ৰমণ*, হেমাংগ বিশ্বাসৰ *চীন চাই আহিলো*, *আকৌ চীন চাই আহিলো*, চৈয়দ আব্দুল মালিকৰ *মাজত মাথোন হিমালয়*, সুৰেন্দ্ৰ মোহন দাসৰ *টলষ্টয়ৰ দেশত* এই সময়ছোৱাৰ উল্লেখযোগ্য ভ্ৰমণ বৃত্তান্ত। ইয়াৰ বাহিৰেও আন কেইবাজনো লিখকে তদানীন্তন কালত ভ্ৰমণ সাহিত্য ৰচনা কৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ সুব্ৰতা বৰুৱা আৰু দেৱেশ্বৰ গোস্বামীয়ে ভাৰত ভ্ৰমণ সম্পৰ্কীয় ভ্ৰমণ সাহিত্যকেইখন নাম কি?

.....

.....

প্ৰশ্ন নং ৪ ঃ চন্দ্ৰ বৰদলৈৰ *লিমেকিঙৰ পৰা ইটানগৰলৈ* নামৰ ভ্ৰমণ সাহিত্যখনৰ উপজীব্য কী?

.....

.....

- **অনুবাদ সাহিত্য ঃ** ইতিমধ্যেই কোৱা হৈছে যে অসমীয়া অনুবাদ সাহিত্যৰ ইতিহাস অতি প্ৰাচীন। স্বৰাজোত্তৰ কালতো সেই ধাৰাটো অব্যাহত আছিল। শিক্ষাৰ সম্প্ৰসাৰণ আৰু নগৰীকৰণ আদিৰ ফলত ইতিমধ্যে অসমত শিক্ষিত মধ্যবিত্ত শ্ৰেণী এটা গঢ় লৈ উঠে। অসমীয়া অনূদিত সাহিত্য বা সৃষ্টিধৰ্মী সাহিত্যৰ বিকাশত এই শ্ৰেণীটোৰ অৱদান যথেষ্ট। কিন্তু বিশ্বায়নৰ প্ৰভাৱত লাহে লাহে অসমীয়া ভাষা, সাহিত্য, সংস্কৃতিলৈ ভাবুকিৰ সৃষ্টি হৈছে। ইংৰাজী ভাষাৰ আগ্ৰাসনে মাতৃভাষা অসমীয়াৰ প্ৰতি সংকটৰ সৃষ্টি কৰিছে। তদুপৰি,

সাম্প্রতিক সময়ত পাঠক গোষ্ঠীৰ সংখ্যাও যথেষ্ট হ্রাস পাইছে। এনেবোৰ কাৰণতে অতিসম্প্রতি অনুবাদৰ সংখ্যা তাকৰীয়া হৈছে। অসমত বিশ্বৰ অন্যান্য ঠাইৰ দৰে অনুবাদক বৃত্তি (কেৰিয়াৰ) হিচাপে লোৱা লোকৰ সংখ্যা প্রায় নাযেই। অৱশ্যে, বিভিন্ন বাতৰিকাকত, আলোচনী, ৰঙালী বিহু আৰু শাৰদীয় সংখ্যাবোৰত বুজন পৰিমাণৰ অনূদিত সাহিত্য প্রকাশ পাই আছে।

স্বৰাজোত্তৰ কালত বহু অসমীয়া কবিয়ে বিভিন্ন কবিতা অসমীয়ালৈ অনুবাদ কৰিছিল। নৱকান্ত বৰুৱাই হুইটমেনৰ এশটা কবিতা অনুবাদ কৰি গ্রন্থ ৰূপত প্রকাশ কৰে। নীলমণি ফুকনে জাপানী 'টানকা' আৰু 'হাইকু' কবিতাৰ অনুবাদ কৰি *জাপানী কবিতা* নামেৰে প্রকাশ কৰে। তেওঁৰ আন এখন অনুবাদ পুথি হ'ল— *গার্থিয়া লৰকাৰ কবিতা*। ৰবীন্দ্র চৰকাৰে হো চি মিনৰ কবিতাৰ ভাঙনি গ্রন্থ আকাৰে প্রকাশ কৰে। দীনেশ গোস্বামীয়ে চীনা কবিতাৰ সংকলন প্রকাশ কৰে। দিলীপ তালুকদাৰ আৰু বিদ্যুৎ বিকাশ ভূঞাই *পেলেষ্টাইনৰ কবিতা* অনুবাদ কৰে। পৰেশ মল্ল বৰুৱাই *কুৰি শতিকাৰ ছোভিয়েট কবিতা* অনুবাদ কৰে।

পৃথিৱীৰ বিভিন্ন দেশৰ যেনে— আৰব, ইংলেণ্ড, আমেৰিকা, ফৰাচী, জার্মান, চীন, তুৰস্ক, ৰুছ, স্পেইন, বুলগেৰিয়া, জাপান, বাংলাদেশ, পাকিস্তান, নেপাল, সিংহল, থাইলেণ্ড, ব্রহ্মদেশ আদিৰ উল্লেখযোগ্য কবিসকলৰ কবিতাৰ অনুবাদ বিভিন্ন আলোচনীৰ পাতত সিঁচৰতি হৈ আছে। এই ক্ষেত্রত পাব্লো নেৰুদা (চিলি), চৰ্গেই এচেনিন (ৰুছিয়া) আন্দ্রমিডা (জর্জ চেফাৰিচ, গ্রীচ), মাও ট্রে আং (ব্রহ্মদেশ), ভাচকো পোপা (যুগোশ্লাভিয়া), হানচ মেগনাচ এনজেনচৰ বার্জাৰ (জার্মান), দিনো কম্পনা (ইটালি), নিকোলাচ গিলেন (কিউবা), বাথমেন (জার্মান), আলেকজেণ্ডাৰ পুস্কিন ইত্যাদি বিদেশী কবিসকলৰ কবিতালৈ আঙুলিয়াব পাৰি।

এই সময়ছোৱাত বহুতো একাংকিকা নাট অসমীয়ালৈ অনূদিত হয়। সুৰেন শইকীয়া, যোগেন চেতিয়া আৰু প্রফুল্ল বৰুৱাই ষ্টেনলি হটনৰ *Dear Departed* নাটকখনৰ তিনিটা ভিন্ন নামৰ অনুবাদ আগবঢ়ায়। সেইকেইখন হ'ল যথাক্রমে— *প্রেতাত্মাৰ পৰিদর্শন, চেনেহৰ সোঁতা, পিতৃ বিয়োগ*। আন কেইখনমান অনূদিত একাংকিকা হ'ল— প্রফুল্ল দত্ত গোস্বামীৰ *জোনৰ পোহৰত* (The Monkey's Paw) আদি। পূর্ণাংগ নাটকৰ অনুবাদৰ ক্ষেত্রতো এই সময়ছোৱা অতি চহকী। তাৰে ভিতৰত সত্যপ্রসাদ বৰুৱাই কৰা *ওথেলো* আৰু *মেকবেথ;* অজিত বৰুৱাই কৰা *হেমলেট;* দিনেশ শর্মাই কৰা *মাচেণ্ট অৰ ভেনিচ* আৰু *জুলিয়াছ চিজাৰ;* দয়ানন্দ পাঠকে কৰা *ৰোমিও এণ্ড জুলিয়েট, জুলিয়াছ চিজাৰ* আৰু *হেমলেট;* দুলাল ৰয়ে কৰা মোহন ৰাকেশৰ *আধে-অধুৰে,* গগলৰ *ৰেৰিচৰৰ* অসমীয়া অভিযোজনা *চৰকাৰী ইন্সপেক্টৰ,* মলিয়েৰৰ *দি মাইজাৰৰ* অসমীয়া ৰূপান্তৰ *মাছৰ তেলেৰে মাছ,* গার্থিয়া ল'র্কাৰ *হাউচ অব বার্ণাড আলবাৰৰ* অসমীয়া অভিযোজনা *ফাটেমা বিবিৰ ঘৰ;* বেকেটৰ *ৰেটিং ফৰ গডো*ৰ শৈলেন ভৰালীয়ে কৰা অসমীয়া অনুবাদ *গডোৰ প্রতীক্ষাত;* কেম্যুৰ

কেলিগুলা (অসমীয়া অভিযোজনা বিমল কুমাৰ হাজৰিকা) আদি উল্লেখযোগ্য। এইখিনিৰ উপৰি ধর্মবীৰ ভাৰতীৰ *অন্ধ যুগ;* বিজয় তেণ্ডুলকাৰৰ *ঘাচিৰাম কটোৱাল, চুপ ঃ আদালত জাৰি হে;* গিৰিশ কার্ণাডৰ *হয়বদন, নাগমণ্ডল, অগ্নি আৰু বর্ষা;* হবিব তনৰিৰৰ *চৰণদাস চোৰ;* মোহন ৰাকেশৰ *আষাঢ় কা এক দিন;* বাদল চৰকাৰৰ *এবং ইন্দ্রজিৎ;* জে এম চীঞ্জৰ *ৰাইডাৰচ টু দ্যা চী;* মার্গাৰেট ড্যুৰাছৰ *ল্যা মিউজিকা;* ইবচেনৰ *ডলছ হাউচ, ঘোষ্টছ, ৰাইন্ড ডাক, এন এনিমি অব দ্যা পিপ'ল;* ব্রেখটৰ *মাদাৰ, মাদাৰ কৰেজ এণ্ড হাৰ চাইল্ড;* ছফক্লিছৰ *এণ্টিগনি* আৰু *ইউৰিপিডাচ;* চেখভৰ *চেৰী অর্কিড* আৰু *দ্যা ছিগাল;* লুইজি পি�ৰানডেলুৰ *ছিক্স কেৰেক্টাৰ ইন ছার্চ অব এন অথৰ;* বার্ণার্ড শ্বৰ *পিগ্‌মেলিয়ন;* জে বি প্রিষ্টলীৰ *এণ্ড ইন্সপেক্টৰ কলছ্;* মলিয়েৰৰ *টাৰ্টুফ;* জাঁ পল ছার্তৰ *মেন উইডাৰট শ্বেদ'ছ* আৰু *ইন কেমেৰা* আদি অসমীয়ালৈ অনুবাদ হোৱাৰ লগতে মঞ্চস্থও হৈছে। এই সময়ছোৱাত অনূদিত হোৱা সংস্কৃত নাটকবোৰ হ'ল— *ৰাজনটী, শকুন্তলা, মুদ্রাৰাক্ষস, স্বপ্ন বাসৱদত্তা, কর্পূৰমঞ্জৰী, উত্তৰ ৰাম চৰিত* আদি। ইয়াৰ অনুবাদক-কেইজন হ'ল যথাক্রমে— প্রভাত চন্দ্র শর্মা, অতুল চন্দ্র হাজৰিকা, ৰজনীকান্ত দেৱশর্মা, মুকুন্দ মাধৱ শর্মা আৰু পূর্ণানন্দ চৌধুৰী।

বাংলা আদি ভাৰতীয় ভাষাৰ নাটকো দুই-এখন অনুবাদ কৰা হৈছে। এই সময়ছোৱাত অনূদিত হোৱা ৰবীন্দ্রনাথৰ নাটককেইখন হৈছে— *বিসর্জন, চিত্রাংগদা, চিৰকুমাৰ সভা, ৰাজা, ডাকঘৰ, মুক্তধাৰা, ৰক্তকৰবী, নটীৰ পূজা* আদি। আৰু এই নাটকেইখনৰ অনুবাদককেইজন হ'ল যথাক্রমে— অতুলচন্দ্র হাজৰিকা, বিৰিঞ্চি কুমাৰ বৰুৱা, চৈয়দ আব্দুল মালিক, মহেন্দ্র বৰা, নির্মলপ্রভা বৰদলৈ, নৱকান্ত বৰুৱা, কেশৱ মহন্ত আৰু ৰাম গোস্বামী।

এই সময়ছোৱাৰ উল্লেখযোগ্য অনূদিত বিদেশী উপন্যাসসমূহ হ'ল— আবুল লেইচৰ *টমছায়াৰ, হাও গ্রীণ ৰাজ মাই ভেলী* আৰু *গুড বাই মিঃ চিন্স';* বীৰেন বৰকটকীৰ *কুমাৰী পৃথিৰী* (টুর্গেনিভৰ *ভাৰজিন চইল);* প্রণীতা দেৱীৰ *জীৱনৰ লালসা* (আৰভিং ষ্টনৰ *লাষ্ট ফৰ লাইফ);* মুস্তাফিজুৰ ৰহমানৰ *লা ৰোমানা;* তপন দাসৰ *পাহাৰী ছন্দ* (ছমাৰচেট মমৰ *আপ এটদি ভিল্লা);* প্রফুল্ল কটকীৰ *ওপজা মাটিৰ টান* (টমাছ হার্ডিৰ *ৰি ৰিটার্ণ অব্ দি নেটিভ);* বিমল নাথৰ *পাপ আৰু প্রায়শ্চিত্ত, পগলা ফাটেক, ডেভিড কপাৰফিল্ড;* সত্যেন্দ্র নাৰায়ণ গোস্বামীৰ *বিদায় যুদ্ধ বিদায়* (হেমিংওৱেৰ *ফেয়াৰ ওৱেল টু আর্মচ);* বীৰেন্দ্র কুমাৰ ভট্টাচার্যৰ *দেৰ দুন্দুভি বাজে কাৰ বাবে* (হেমিংওৱেৰ *ফৰ হুম দি বেল ট'লচ');* যতীন গোস্বামীৰ *বুঢ়া আৰু সাগৰ (দি ওল্ড মেন এণ্ড দি চি);* ড° নগেন ঠাকুৰৰ *ধীৰে বৈ যায় ডন* (মিখাইল চোলোকভৰ *এণ্ড কুৰাইট ফ্লজ ডন);* ৰোহিণীকান্ত বৰুৱাৰ *পৰম ক্ষুধা* (জন বোয়েৰৰ *গ্রেট হাংগাৰ);* সুৰেন্দ্র মোহন দাসৰ *যুদ্ধ আৰু শান্তি* ইত্যাদি।

অসমীয়া ভাষালৈ অনূদিত ভাৰতীয় উপন্যাসসমূহৰ ভিতৰত উল্লেখযোগ্য উপন্যাসসমূহ হ'ল— তৰুণ কুমাৰ ভাদুড়ীৰ *সন্ধ্যা বর্ত্তিৰ শিখা, অভিশপ্ত চম্বল, আকৌ অভিশপ্ত চম্বল, বিলকিচ বেগম, দৃষ্টি দৃষ্টি;* সমৰেশ বসুৰ *তিনি ভুবনৰ পাৰত;* মীৰ মোছাৰক হোছেনৰ

বিষাদ সিন্ধু (উদ্ধাৰ আৰু এজিদ পর্ব) আৰু মহৰম পর্ব ইত্যাদি অসমীয়ালৈ অনূদিত হৈ প্রকাশ লাভ কৰে। মহেন্দ্র বৰাই ৰবীন্দ্র নাথৰ *চোখেৰ বালি, বিনোদিনী* নামেৰে অসমীয়ালৈ অনুবাদ কৰে। মনু সেনে মহাশ্বেতা দেৱীৰ *অৰণ্যৰ অধিকাৰ,* মৈত্রেয়ী দেৱীৰ *ন হন্যতে, প্রথম প্রতিশ্রুতি* আদি অসমীয়ালৈ অনুবাদ কৰে। মুক্তানন্দ শর্মাই জৰাসন্ধৰ *তিনি কন্যা;* আৰতি দাসে *ঘুণ পোক;* অতুলানন্দ গোস্বামীয়ে *বনহংসীৰ শ্বেতপদ্ম;* অৰুণ শর্মাই *নীলকণ্ঠি পখীৰ সন্ধান*ত আদি উপন্যাস অনুবাদ কৰে।

বাংলাৰ দৰে হিন্দী ভাষাৰ পৰাও বহু উপন্যাস অনূদিত হৈছে। দিলীপ তালুকদাৰে ফুটপাথৰ দেৱদূত (কৃষণচন্দ্রৰ *ফুটপাথ কী ফৰিস্তে);* নির্মলপ্রভা বৰদলৈয়ে *বিন্দু আৰু সিন্ধু* (অমৃতলাল নাগৰ *বুন্দ ঔৰ সমুন্দৰ);* নৰদ্বীপ ৰঞ্জন পাটগিৰী আৰু চক্রেশ্বৰ ভট্টাচার্যই বাণভট্টৰ আত্মকথা (হাজাৰি এ দ্বিবেদীৰ *বাণভট্টকী আত্মকথা)* আদি হিন্দী ভাষাৰ পৰা অসমীয়া ৰূপ দান কৰে।

উল্লেখযোগ্য অনূদিত চুটিগল্পপুথিসমূহ হ'ল— সুৰেন্দ্র মোহন দাসৰ *টলষ্টয়ৰ সাধু;* অনুপমা দেৱীৰ *প্রত্যাৱর্তন; এনুৱা জোনালী নিশা;* অৰুণ কুমাৰ বৰুৱাৰ *মোপাঁচাৰ গল্প;* সত্যেন্দ্রনাথ বৰকটকীৰ *গ দ্য ম'পাচাঁৰ শ্রেষ্ঠ গল্প, ফৰাচী গল্প;* অনিল কুমাৰ শর্মাৰ *চেখভৰ গল্প;* প্রণৱজ্যোতি ডেকাৰ *ৰুছ গল্প;* ৰত্নেশ্বৰ মেধিৰ *মেক্সিম গর্কীৰ শ্রেষ্ঠ গল্প, গাইড, ধূর্তালি;* সত্যপ্রসাদ বৰুৱাৰ *বিশ্ববিখ্যাত চুটিগল্প ৯টা;* অনু বৰুৱাৰ *প্রথম প্রেম;* ড° অমিয়া দেৱীৰ *একুঁকি বিদেশী গল্প;* সৌৰভ কুমাৰ চলিহাৰ *আজি শুক্রবাৰ;* দিলীপ তালুকদাৰৰ *নানা ৰঙৰ গল্প;* ড° প্রফুল্ল দত্ত গোস্বামীৰ (সম্পা.) *'গল্প ঃ দেশী আৰু বিদেশী;* লক্ষহীৰা দাসৰ *ওস্কাৰ ৱাইল্ডৰ গল্প;* অমূল্য হাজৰিকাৰ *অ' হেনৰীৰ শ্রেষ্ঠ গল্প;* নিৰুপমা ফুকনৰ *বিশ্ব গল্প চয়নিকা;* বিমল নাথৰ *হথর্ণৰ শ্রেষ্ঠ গল্প;* প্রসন্ন গোস্বামীৰ *বিদেশী গল্পৰ সম্ভাৰ;* কনক মহন্তৰ *জাৰৰ দেশৰ গল্প;* দধি মহন্তৰ *অক্টোবৰৰ এৰাতি;* ড° বীৰেন্দ্র কুমাৰ ভট্টাচার্যই কৰা ৰবীন্দ্রনাথৰ *একুৰি এটা চুটিগল্পৰ পুথি;* সুৰেশ শর্মাৰ সম্পাদনাত ভাৰতীয় বহু প্রাদেশিক ভাষাৰ চুটিগল্প *বৰফৰ ফুল* নামেৰে প্রকাশ পাইছে। তেনেদৰে জয়কান্ত শর্মাৰ *ভাৰতীয় গল্প;* ইন্দিৰা দত্তৰ *প্রেমচন্দৰ শ্রেষ্ঠ গল্প;* বিনন্দ চন্দ্র বৰুৱাৰ *ৰাজস্থানৰ গল্প* আদিৰ নাম এই ক্ষেত্রত উল্লেখযোগ্য।

স্বৰাজোত্তৰ কালত বহুতো সংস্কৃত গল্প-আখ্যান শিশু উপযোগী কৰি অসমীয়া ৰূপ প্রদান কৰা হৈছে। *মহাভাৰত, ৰামায়ণ, পুৰাণ, দ্বাত্রিংশৎ-পুত্তলিকা, জাতক, হিতোপদেশ, পঞ্চতন্ত্র, বেতাল পঞ্চবিংশতি, কথা-সৰিৎসাগৰ* আদিৰ আখ্যান অসমীয়ালৈ ভাবানুবাদ কৰা হৈছে। মহেশচন্দ্র কটকীৰ *বেতাল-পঞ্চবিংশতি;* ইন্দ্রধৰ ৰাজখোৱাৰ *হিতোপদেশ;* অতুল চন্দ্র হাজৰিকাৰ *জাতকৰ সাধু,* নির্মলপ্রভা বৰদলৈৰ *সৰিৎসাগৰৰ গল্প* ইত্যাদি এই ক্ষেত্রত উল্লেখযোগ্য। শিশু উপযোগী অনূদিত কিতাপৰ কথা ইতিমধ্যে পৃথকে আলোচনা কৰি অহা বাবে ইয়াত পুনৰুক্তি কৰা নহ'ল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ *গাৰ্থিয়া লৰকাৰ কবিতাখন* কোনে অনুবাদ কৰা কবিতা পুথি?

.....

প্রশ্ন নং ৬ ঃ সুৰেশ শর্মাৰ সম্পাদনাত প্রকাশ পোৱা *ৰৱফৰ ফুল* গ্রন্থখনৰ বিষয়বস্তু কি?

.....

.....



১৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- স্বৰাজোত্তৰ কালত অসমীয়া সাহিত্যৰ শ্রীবৃদ্ধি অতি দ্রুত গতিত সম্পন্ন হৈছিল। ভিন ভিন সাহিত্যিকে তেওঁলোকৰ মনৰ দিগন্ত খুলি দি অসমীয়া সাহিত্যৰ প্রতিটো ধাৰাই সমৃদ্ধ কৰিছিল। তাৰে কেইটিমান ধাৰা অসমীয়া শিশু-সাহিত্য, ভ্রমণ সাহিত্য আৰু অনুবাদ সাহিত্য সম্পর্কে অধ্যায়টিত চমুকৈ আলোচনা কৰা হ'ল।
- সাম্প্রতিক সময়ৰ বিশ্ব সাহিত্যত শিশু সাহিত্যৰ এক সন্মানীয় আৰু প্রভাৱশালী স্থান আছে। অসমীয়া সাহিত্যও ইয়াৰ উর্ধ্বত নহয়। অধ্যায়টিত আমাৰ আলোচ্য সময়ছোৱাত কি কি বিষয়বস্তু আৰু সাহিত্যৰ বিধাত শিশু সাহিত্য ৰচনা হৈছিল সেই বিষয়ে বহলাই আলোচনা কৰা হ'ল।
- স্বাধীনতাৰ পৰৱৰ্তী কালছোৱাত অসমীয়া ভ্রমণ সাহিত্য বিশেষ চহকী হৈ উঠে। এই কালছোৱাত অসমৰ জীৱনধাৰালৈ পৰিৱর্তন আহিল। দেশ-দেশান্তৰত ভ্রমণ কৰা সহজ আৰু সুবিধা হোৱাত ৰাজনৈতিক, সাংস্কৃতিক, শৈক্ষিক আৰু বাণিজ্যিক উদ্দেশ্য আগত ৰাখি বহুতো মানুহে বিদেশ ভ্রমণ কৰাৰ সুবিধা লাভ কৰিলে। ফলস্বৰূপে অসমীয়া ভাষাত ভ্রমণ বৃত্তান্ত ক্রমাগতভাৱে বৃদ্ধি পালে। স্বাধীনতাৰ পৰৱৰ্তী কালৰ অসমীয়া ভ্রমণ কাহিনীসমূহক দুটা ভাগত ভাগ কৰিব পাৰি — ক) ভাৰত ভ্রমণ সম্পর্কীয় খ) বিদেশ ভ্রমণ সম্পর্কীয়। অধ্যায়টোত বহলাই এই দুটা ভাগৰ কথা আলোচনা কৰা হৈছে।
- অসমীয়া অনুবাদ সাহিত্যৰ ইতিহাস অতি প্রাচীন। স্বৰাজোত্তৰ কালতো সেই ধাৰাটো অব্যাহত আছিল। শিক্ষাৰ সম্প্রসাৰণ আৰু নগৰীকৰণ আদিৰ ফলত ইতিমধ্যে অসমত শিক্ষিত মধ্যবিত্ত শ্রেণী এটা গঢ় লৈ উঠে। অসমীয়া অনূদিত সাহিত্য বা সৃষ্টিধর্মী সাহিত্যৰ বিকাশত এই শ্রেণীটোৰ অৱদান যথেষ্ট। অধ্যায়টি স্বৰাজোত্তৰ কালৰ অনুবাদ সাহিত্য সম্পর্কে সম্যক ধাৰণা প্রদান কৰা হ'ল।



১৪.৫ অধিক জানিবলৈ

১) কটকী, প্রফুল্ল (২০০৫); *সাহিত্য আৰু সংজ্ঞা;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

২) তামুলী, শান্তনু (২০১০); *অসমীয়া শিশু-সাহিত্য সমীক্ষা;* যোৱহাটঃ মৌচাক প্রকাশন।

৩) ডেকা, হৰেকৃষ্ণ (সম্পা.) (জানুৱাৰী, ২০০৯); *গৰীয়সী;* গুৱাহাটী ঃ সাহিত্য প্রকাশ।

৪) ডেকা হাজৰিকা, কৰবী (২০০৩); *তুলনামূলক সাহিত্য আৰু অনুবাদ-কলা;* ডিব্রুগড ঃ বনলতা।

৫) নেওগ, মহেশ্বৰ (১৯৬৪); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৬) বৰগোহাঞি, হোমেন (সম্পা.) (১৯৯৩); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (ষষ্ঠ খণ্ড);* অসম ঃ আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সংস্থা।

৭) বৰগোহাঞি, হোমেন (সম্পা.) (১৯৬৭); *বিংশ শতাব্দীৰ অসমীয়া সাহিত্য;* যোৱহাট ঃ অসম সাহিত্য সভা।

৮) বৰকটকী, উপেন্দ্র (২০০২); *অসমীয়া শিশু সাহিত্যৰ সংক্ষিপ্ত ইতিহাস;* গুৱাহাটীঃ ষ্টুডেণ্টচ্ ষ্ট'ৰচ।

৯) ববা, লক্ষ্মীনন্দন (সম্পা.) (জানুৱাৰী, ২০১১); *গৰীয়সী;* গুৱাহাটী ঃ সাহিত্য প্রকাশ।

১০) ববা, মনালিছা আৰু ৰেখা কলিতা (সম্পা.) (২০১৫); *অসমীয়া শিশু সাহিত্যৰ সমীক্ষাত্মক অধ্যয়ন,* গুৱাহাটীঃ এন. এল পাব্লিকেশ্বন্ছ।

১১) ভৱালী, শৈলেন (২০০৪); *মাধৱ কন্দলিৰ পৱা মামণি গোস্বামীলৈ;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

১২) মহন্ত বেজবৰা, নীৰাঞ্জনা (২০১১); *অনুবাদ ঃ তত্ত্ব আৰু প্রয়োগ;* ডিব্রুগড় ঃ বনলতা।

১৩) শর্মা, গোৰিন্দ প্রসাদ (১৯৯৩); *জীৱনী আৰু অসমীয়া জীৱনী;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্ট'ৰচ্।

১৪) শর্মা, সত্যেন্দ্রনাথ (২০০৯); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

১৫) https://www.sarothiasom.in/2021/03/12/asomiya-bhraman-sahitya/



১৪.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ গগণ চন্দ্র অধিকাৰীয়ে লিখা শিশু উপযোগী কবিতা পুথি কেইখনৰ নাম হ'ল —*টকাত একোটা হাতী, ৰ'দালি এ ৰ'দ একণ দে, কক্ কক্ৰে কক্ কে কে হুৱা।*

২ নং প্রশ্নৰ উত্তৰ ঃ সাম্প্রতিক সময়ত প্রকাশ পোৱা শিশু উপযোগী ভিন্ন স্বাদৰ ছবিৰে শিশুক শিক্ষা দিয়াৰ পুথি কেইখনমানৰ নাম হ'ল— মৃগেন কুমাৰ দত্তৰ *ছবি আঁকাৰ সহজ উপায়,* শান্তনু তামুলীৰ *ছবিত বুটী আইৰ সাধু,* জ্ঞানজ্যোতি বৰাৰ *আজৰি পৰৰ চখ,* অৰুণাভৰ *হাঁহো আহা* ইত্যাদি।

৩ নং প্রশ্নৰ উত্তৰ ঃ সুব্রতা বৰুৱা আৰু দেৱেশ্বৰ গোস্বামীয়ে ভাৰত ভ্রমণ সম্পৰ্কীয় ভ্রমণ সাহিত্যকেইখন নাম হ'ল ক্রমে — *হিমতীর্থ বদ্রীনাথ* (1962) আৰু *ভ্রমণ পথত* (1968)।

৪ নং প্রশ্নৰ উত্তৰ ঃ চন্দ্র বৰদলৈৰ *লিমেকিঙৰ পৰা ইটানগৰলৈ* নামৰ ভ্রমণ সাহিত্যখনৰ উপজীব্য হ'ল ঘাইকৈ অৰুণাচল প্রদেশৰ জনজীৱন, শৈক্ষিক আৰু সাংস্কৃতিক দিশ।

৫ নং প্রশ্নৰ উত্তৰ ঃ *গার্থিয়া লৰকাৰ কবিতা*খন নীলমণি ফুকনে অনুবাদ কৰা কবিতা পুথি।

৬ নং প্রশ্নৰ উত্তৰ ঃ সুৰেশ শর্মাৰ সম্পাদনাত প্রকাশ পোৱা *বৰফৰ ফুল* গ্রন্থখনৰ বিষয়বস্তু হ'ল ভাৰতীয় বহু প্রাদেশিক ভাষাৰ চুটিগল্পৰ অসমীয়ালৈ অনুবাদ।



১৪.৭ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ *গ্রীমছ ফেয়াৰী টে'লছ* গ্রন্থখনৰ প্রণেতা কোন?

প্রশ্ন ২ ঃ *ডেমপেহাৰ দূৰবীণ* কাৰ ৰচনা?

(খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ স্বৰাজোত্তৰ কালৰ অসমীয়া শিশু উপযোগী উপন্যাস সম্পর্কে এটি চমু আলচ যুগুত কৰক।

প্রশ্ন 2 ঃ স্বৰাজোত্তৰ কালৰ অসমীয়া ভ্রমণ সাহিত্য সম্পর্কে এটি টোকা লিখক ।

(গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ সাম্প্রতিক সময়ৰ অসমীয়া শিশু সাহিত্য সম্পর্কে বহলাই লিখক।

প্রশ্ন ২ ঃ স্বৰাজোত্তৰ কালৰ অসমীয়া অনুবাদ সাহিত্যৰ বিষয়ে এটি প্রবন্ধ লিখক।

*** ***** ***